**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-NOV-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

---

ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি উদযাপিত জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰে। বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰ এই লোকসকলক ভূমি স্বত্ব পত্ৰ প্ৰদান কৰি জনজাতীয় লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত এয়া অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে।

এই পযেকৰ সৈতে সংগতি ৰাখি যোৰহাট জিলাৰ ১০ টা আদিসেৱা কেন্দ্ৰত আজিৰেপৰা স্বাস্থ্য আৰু পৰিপুষ্টি শিবিৰৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসন আৰু ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত তিতাবৰস্থিত ঠেঙাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ত ১৫ নৱেম্বৰত জনগোষ্ঠীৰ চহকী, সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শন কৰা হ'ব।

oooooo

জনসাধাৰণৰ কাম আৰু ৰাজ্য চৰকাৰৰ সেৱাসমূহ অধিক স্বচ্ছতা আৰু ক্ষিপ্ৰতাৰ লগতে নিয়াৰিকৈ উপলব্ধ কৰাত সহায়ক হোৱাকৈ প্ৰশাসনত কৃত্ৰিম বুদ্ধিমত্তাৰ বহুল প্ৰয়োগত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। অসম তথা উত্তৰ-পূব ভাৰতৰ এ আই হাবৰূপে প্ৰতিষ্ঠাৰ বাবেও প্ৰয়োজনীয় কাৰিকৰী সামৰ্থ আহৰণ আৰু আন্তঃগাঁথনিৰ বিকাশত চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে। এইক্ষেত্ৰত কালি মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগে গুগলৰ সৈতে প্ৰশাসনত কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক এখন বুজাবুজিৰ চুক্তি সম্পাদন কৰে। গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ হৈ তথ্য প্ৰযুক্তি বিভাগৰ সচিব গোপীনাথ নাৰায়ণ আৰু গুগল ক্লাউডৰ ভাৰতৰ সঞ্চালক তথা দেশীয় প্ৰমুখ আশিস বাট্টালে এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰেৰে সামৰ্থ বিকাশ আৰু বিষয়াসকলক কৰ্ম নিপুণতা বৃদ্ধিৰ জৰিয়তে চৰকাৰী সেৱাসমূহ অধিক সুচাৰুৰূপে তথা খৰতকীয়াকৈ ৰাইজৰ ওচৰলৈ নিবলৈ সামৰ্থ হ'ব বুলি আশা কৰা হৈছে। এই বুজাবুজিৰ চুক্তি সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই মন্তব্য প্ৰকাশ কৰে।

**বাইট (কেশৱ মহন্ত)**

oooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁও জিলাৰ চিলঙনীস্থিত মাণ্ডলিক গৱেষণা কেন্দ্ৰত কৃষি ডিপ্ল'মা কাৰ্যসূচীৰ প্ৰথম বছৰৰ প্ৰথম ষাণ্মাষিকৰ উদ্বোধনী অনুষ্ঠান কালি অনুষ্ঠিত হয়। কৃষি শিক্ষাৰ জৰিয়তে নৱ-প্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী আৰু স্ব-নিৰ্ভৰশীল তথা উদ্যমী হিচাপে গঢ়ি তোলাৰ বাবে এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই সভাপতিত্ব কৰা অনুষ্ঠানত অসম চৰকাৰৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজৰিয়াই এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ কৃষি বিজ্ঞান গুৰু ড° প্ৰসন্ন কুমাৰ পাঠক, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কমল শইকীয়াৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে ভাষণ দিয়ে। উল্লেখযোগ্য যে এই ডিপ্ল'মা কাৰ্যসূচীৰ প্ৰথম ষাণ্মাষিকত ৰাজ্যৰ বিভিন্ন জিলাৰ ২৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছে।

oooooo

আজিৰে পৰা ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে পবিতৰা অভয়াৰণ্যত হাতী ছাফাৰী আৰম্ভ হৈছে। যোৱা ২৩ অক্টোবৰত কৰ্তৃপক্ষই পবিতৰা অভয়াৰণ্যত পৰ্যটকৰ বাবে জীপ ছাফাৰী মুকলি কৰিছিল। এশিঙীয়া গঁড়ৰ বিচৰণভূমি পবিতৰা ২০২৫-২৬ পৰ্যটন বৰ্ষ কিছু পলমকৈ আৰম্ভ কৰা হৈছে। অভয়াৰণ্যখনৰ বিধবস্ত বাট-পথ মেৰামতিৰ পাছতহে পৰ্যটকৰ বাবে কৰ্তৃপক্ষই জীপ ছাফাৰী মুকলি কৰি দিছে। উল্লেখযোগ্য যে অভয়াৰণ্য কৰ্তৃপক্ষৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি বিগত ২০২৪-২৫ পৰ্যটন বৰ্ষত ৩৪ হাজাৰ ৩৯০ গৰাকী দেশী-বিদেশী পৰ্যটক পবিতৰালৈ আগমন ঘটিছিল। এই বৰ্ষত পৰ্যটকৰ পৰা ৬১ লাখ ২৬ হাজাৰ ৪২৫ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল বুলি অভয়াৰণ্য কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

oooooo

চৰাইদেউ জিলা কৃষি বিভাগৰ উদ্যোগত বৰপথাৰ গাঁৱত সংহত কৃষি পদ্ধতিৰ প্ৰদৰ্শনমূলক ব্যৱস্থাৰ কালি শুভাৰম্ভ কৰা হয়। কৃষকসকলে কৃষি পদ্ধতি অৱলম্বনৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান দূৰ কৰাৰ লগতে বিজ্ঞানসন্মতভাৱে সংহত কৃষি পদ্ধতি প্ৰদৰ্শনৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি মীন বিভাগ, পশুপালন, গাঁও পঞ্চায়ত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত এই প্ৰদৰ্শনীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱে উদ্যান শস্যৰ পুলি ৰোপণ কৰি এই কাৰ্যৰ শুভাৰম্ভ কৰে।

oooooo

ৰাজ্য চৰকাৰে কেতবোৰ চৰ্তসাপেক্ষে ৰাজ্যত পুনৰ লটাৰী অথবা উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত পূৰ্বৰ এটা নিৰ্দেশনা খাৰিজ কৰি ৰাজ্যত লটাৰী অনুষ্ঠিত কৰা-নকৰা সন্দৰ্ভত বিবেচনা কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে কালি ৰাজ্যৰ বিত্ত বিভাগে ৰাস মহোৎসৱ, লক্ষ্মী পূজা, দৌল উৎসৱ আদিত জিলা আয়ুক্তই এই খেলৰ বাবে অনুমতি দিব পাৰিব বুলি নিৰ্দেশ দিছে। অৱশ্যে ইয়াৰ বাবে লটাৰী অনুষ্ঠিত কৰা উদ্যোক্তা সমিতিয়ে লিখিতভাৱে জিলা আয়ুক্তৰ পৰা অনুমতি লব লাগিব। জিলা আয়ুক্তই ইয়াৰ বাবে যাৱতীয় কৰ সংগ্ৰহৰ নিৰ্দেশ দিব লাগিব আৰু কৰ আদায় নিদিয়া সমিতিক লটাৰী অনুষ্ঠিত কৰাৰ অনুমতি দিব নোৱাৰিব বুলি নিৰ্দেশনাত স্পষ্ট কৰি দিয়া হৈছে।

oooooo

সমাপ্ত